EVEREST
FIBRE CEMENT BOARDS
(Formerly ...)
Contact No.:
9957174290 / 9957174291



খেলৰ পৃথিৱী... ১১

- ভাৰতীয় দললৈ টাটা গাড়ী উপহাৰৰ প্ৰস্তাৱ দিছিল ডাউদে : বেংসৰকাৰ
- ফেডাৰাৰক হৰুৱাই ডেলপৰ্টোৰ ছুইছ ইনড'ৰ খিতাপ

মুঠ : ১২ পৃষ্ঠা

সত্যনিষ্ঠ সাংবাদিকতাত উৎসৰ্গিত

গুৱাহাটী, যোৰহাট আৰু লখিমপুৰৰ পৰা প্ৰকাশিত

# আমাৰ অসম

গুৱাহাটী □ মঙ্গলবাৰ □ ১১ কাতি ১৯৩৫ শক □ ২৯ অক্টোবৰ ২০১৩ □ সপ্তদশ বছৰ □ সংখ্যা ১৮৮ □ মূল্য : ৬০০ টকা ★

## ৰাষ্ট্ৰীয় পেন্সন স্বাৱলম্বন আঁচনি শুভাৰম্ভ কৰিলে মুখ্য মন্ত্ৰীয়ে

# ১৮-৬০ বছৰ ভিতৰৰ আৰ্থিকভাৱে দুৰ্বল সকলো লোককে সামৰি ল'ব স্বাৱলম্বন আঁচনিয়ে




**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৯ অক্টোবৰ :** মুখ্য মন্ত্ৰী তৰুণ গগৈয়ে আজি ৰাষ্ট্ৰীয় পেন্সন স্বাৱলম্বন আঁচনিখন অসমৰ বাবে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত সোমবাৰে অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই আঁচনিখনৰ শুভাৰম্ভ কৰি কেইবাগৰাকী সঞ্চয়কাৰীৰ মাজত মুখ্য মন্ত্ৰীগৰাকীয়ে প্ৰানকাৰ্ড (পাৰ্মানেণ্ট ৰিটায়াৰমেণ্ট একাউণ্ট নাম্বাৰ) বিতৰণ কৰে। ভাষণত গগৈয়ে কয়— ৰাষ্ট্ৰীয় পেন্সন স্বাৱলম্বন আঁচনিখনৰ দ্বাৰা ৰাজ্যৰ লাখ লাখ শ্ৰমজীৱী লোক উপকৃত হ'ব। এই আঁচনিখনৰ জৰিয়তে সমাজত এক বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা হ'ব। আঁচনিখনে আৰ্থিকভাৱে দুৰ্বল বিভিন্ন শ্ৰেণীৰ লোকসকলৰ ভৱিষ্যৎ নিৰাপত্তা নিশ্চিত কৰিব। তেওঁ আৰু কয়— এই আঁচনিৰ প্ৰতিগৰাকী সঞ্চয়কাৰীলৈ কেন্দ্ৰই এহাজাৰ টকাকৈ যিদৰে বাৰ্ষিক বৰঙণি আগবঢ়াব, অসম চৰকাৰেও অসমৰ প্ৰতিগৰাকী সঞ্চয়কাৰীলৈ এহাজাৰ টকাকৈ আগবঢ়াব। বৰ্তমানলৈকে এই আঁচনিত ৰাজ্যৰ ৫০ হাজাৰ লোক অন্তৰ্ভুক্ত হৈছে। উল্লেখ্য, ১৮-৬০ বছৰৰ বয়সৰ দৰিদ্ৰ লোকৰ ভৱিষ্যৎ পেন্সন ব্যৱস্থাৰ বাবে প্ৰৱৰ্তন কৰা এই আঁচনিয়ে দিন-হাজিৰা কৰা শ্ৰমজীৱী লোক, অসংগঠিত খণ্ডৰ শ্ৰমিক-মজদুৰ, চাহ বাগিচাৰ শ্ৰমিক, আশা-অংগনৱাড়ী কৰ্মী, ৰিক্সাচালক-ঠেলাচালক, ৰোৱনী-দাৱনী-কৃষকক ধৰি বিভিন্ন শ্ৰেণীৰ শ্ৰমজীৱী লোকক সামৰি ল'ব। এই আঁচনিৰ অধীনত সঞ্চয়কাৰীয়ে বছৰি ১,০০০ৰ পৰা ১২,০০০ টকাপৰ্যন্ত বৰঙণি দিব পাৰিব। প্ৰতিগৰাকী সঞ্চয়কাৰীৰ এই বৰঙণিৰ সৈতে কেন্দ্ৰীয় চৰকাৰে বছৰি ১,০০০ টকা আৰু অসম চৰকাৰে ১,০০০ টকা অনুদান আগবঢ়াব। প্ৰতিগৰাকী সঞ্চয়কাৰীয়ে ৬০ বছৰ বয়সত সমুদায় ধনৰাশিৰ ৬০ শতাংশ এটা কিস্তিত আদায় পাব আৰু বাকী ৪০ শতাংশৰে ভৱিষ্যৎ মাহিলি পেন্সন দিয়াৰ ব্যৱস্থা কৰা হ'ব। এই আঁচনিৰ অধীনত প্ৰতিগৰাকী সঞ্চয়কাৰীয়ে প্ৰান (পেন্সন) কাৰ্ড লাভ কৰিব। এই পেন্সন পুঁজিৰ হিচাপ আৰু প্ৰান কাৰ্ডৰ ব্যৱস্থাপনা কৰে এন এছ ডি এল-চি আৰ এয়ে। এই আঁচনিখন ৰূপায়ণ প্ৰক্ৰিয়াত পি এফ আৰ ডি এৰ দ্বাৰা অনুমোদিত অসম গ্ৰামীণ বিকাশ বেংক আৰু অলংকিট এছাইনমেণ্ট প্ৰতিষ্ঠানক জড়িত কৰা হৈছে। অনুষ্ঠানত পেন্সন ফাণ্ড ৰেগুলেটৰী এণ্ড ডেভেলপমেণ্ট অথৰিটীৰ চেয়াৰমেন যোগেশ আগৰৱালাই ভাষণত কয়— এই আঁচনিখন ৰূপায়ণ কৰা অসম হ'ল দেশৰ পঞ্চমখন ৰাজ্য। তেওঁ আঁচনিখনে আগবঢ়োৱা বিভিন্ন সুবিধা আৰু উপকাৰিতা সম্পৰ্কে অৱগত কৰে। অনুষ্ঠানত সংসদীয় সচিবদ্বয় শৰৎ শইকীয়া আৰু মানছিং ৰংপি, ৰাজ্যৰ মুখ্য সচিব জিতেশ খোচলা, অতিৰিক্ত মুখ্য সচিব হিমাংশু শেখৰ দাস আদিয়ে আঁচনিখনৰ বিভিন্ন দিশত আলোকপাত কৰি বক্তব্য আগবঢ়ায়। পি এফ আৰ ডি এৰ কাৰ্যবাহী সঞ্চালক পদ্মা আয়াৰ কৌল আৰু এন এছ ডি এলৰ কাৰ্যবাহী উপাধ্যক্ষ চন্দ্ৰশেখৰ তিলক অনুষ্ঠানত উপস্থিত থাকে।